Total No. of Printed Pages—3

**1 SEM TDC ASMH (CBCS) C 2**

**2022**

( Nov/Dec )

# ASSAMESE

( Core )

Paper : C–2

**( অসমীয়া সাহিত্যৰ বুৰঞ্জী–২ )**

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ দিয়াঁ (যি কোনো আঠোটা) : ১×৮=৮

(ক) 'ন.ল.ফ.' নামেৰে পৰিচিত 'অৰুণোদই যুগ'ৰ লেখকজনৰ সম্পূৰ্ণ নামটো কি?

(খ) 'অসমীয়া ল'ৰাৰ মিত্ৰ' কাৰ ৰচনা?

(গ) 'অঃ ভাঃ উঃ সাঃ সঃ'ৰ প্ৰতিষ্ঠা কোন চনত হৈছিল?

(ঘ) ‘ফুলৰ চাকি’ কাব্যগ্ৰন্থখনৰ কবি কোন ?

(ঙ) কবি যতীন্দ্ৰনাথ দুৱৰাই কোনখন কাব্যগ্ৰন্থৰ বাবে ‘সাহিত্য অকাদেমি বঁটা’ লাভ কৰিছিল ?

(চ) ‘আৱাহন’ কাকতৰ প্ৰতিষ্ঠাপক সম্পাদক কোন আছিল ?

(ছ) ‘ডাৱৰ আৰু নাই’ৰ ঔপন্যাসিকজনৰ নাম কি ?

(জ) গল্পকাৰ, ঔপন্যাসিক শীলভদ্ৰৰ প্ৰকৃত নামটো লিখাঁ।

(ঝ) ‘শিয়ালী পালেগৈ ৰতনপুৰ’ৰ লেখক কোন ?

(ঞ) ‘ৰূপৰ টিলিঙাৰ মাত’ কবিতা-পুথিৰ কবিজনৰ নাম লিখাঁ।

২। (ক) আধুনিক অসমীয়া সাহিত্যৰ প্ৰতিষ্ঠাত ‘অৰুণোদই’ কাকতৰ ভূমিকা সম্পৰ্কে এটি আলোচনা আগবঢ়োৱাঁ। ১২

অথবা

(খ) অসমীয়া ভাষা-সাহিত্যলৈ ‘অৰুণোদই যুগ’ৰ লেখক আনন্দৰাম ঢেকিয়াল ফুকনৰ অৱদান সম্পৰ্কে এটি আলচ যুগুত কৰাঁ।

৩। (ক) আধুনিক ভাষা-সাহিত্যৰ বিকাশত হেমচন্দ্ৰ বৰুৱাৰ অৱদান সম্পৰ্কে আলোচনা কৰাঁ। ১৬

অথবা

(খ) অসমীয়া ভাষা-সাহিত্যলৈ গুণাভিৰাম বৰুৱাৰ বৰঙণি সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰাঁ।

৪। (ক) ‘জোনাকী’ কাকতক কেন্দ্র কৰি অসমীয়া সাহিত্যত কিদৰে এটা নতুন যুগৰ সূচনা হ’ল সেই প্ৰসংগত এটি বিশ্লেষণ আগবঢ়োৱাঁ। ১৫

অথবা

(খ) ‘জোনাকী যুগ’ৰ এগৰাকী বিশিষ্ট লেখক হিচাপে লক্ষ্মীনাথ বেজবৰুৱাৰ বৰঙণি সম্পৰ্কে আলোচনা আগবঢ়োৱাঁ। ৩+১২=১৫

৫। (ক) ‘ৰামধেনু যুগ’ৰ অসমীয়া চুটিগল্পৰ বৈশিষ্ট্যৰাজিৰ উল্লেখ কৰি এটি আলোচনা আগবঢ়োৱাঁ। ১৪

অথবা

(খ) ‘ৰামধেনু যুগ’ৰ অসমীয়া সাহিত্যৰ পটভূমি সম্পৰ্কে আলোচনা কৰাঁ।

৬। (ক) যুদ্ধোত্তৰ যুগৰ বিশিষ্ট কবি হিচাপে নীলমণি ফুকনৰ কবিতা সম্পৰ্কে এটি প্ৰবন্ধ লিখাঁ। ১৫

অথবা

(খ) সাম্প্ৰতিক অসমীয়া শিশু-সাহিত্যৰ বিকাশত শিশু-আলোচনীৰ ভূমিকা সম্পৰ্কে আলোচনা কৰাঁ।

★★★